# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 15-10-2024
**Time :** 1800 Hrs

## *Assamese Evening Bulletin*
- - - - - - - - - - - - - - - -

নিৰ্বাচন আয়োগে মহাৰাষ্ট্ৰ আৰু ঝাৰখণ্ডৰ বিধানসভা নিৰ্বাচনৰ উপৰি অসমৰ ৫ টাকে ধৰি দেশৰ ৪৮ বিধানসভা সমন্বিত উপ নিৰ্বাচনৰ দিন ঘোষণা কৰিছে। এই অনুসৰি অসমৰ ধলাই, চিদলী, বঙাইগাঁও, বিহালী আৰু চামগুৰি সমন্বিত খালী হোৱা আসন ৫ খনৰ বাবে অহা ১৩ নৱেম্বৰত নিৰ্বাচন হ'ব। সেইদিনাখনেই ৱাইনাড সংসদীয় আসনখনৰ বাবেও উপ নিৰ্বাচন অনুষ্ঠিত হ'ব। আনহাতে, মেঘালয়ৰ এখন আৰু চিকিমৰ দুখন বিধানসভা আসনৰ বাবে উপ নিৰ্বাচন অনুষ্ঠিত হ'ব।

ইপিনে, উত্তৰাখণ্ড আৰু মহাৰাষ্ট্ৰত নন্দেৰ বিধানসভা আসনৰ বাবে ২০ নৱেম্বৰত নিৰ্বাচন অনুষ্ঠিত হ'ব। ইপিনে, মহাৰাষ্ট্ৰত এটা পৰ্যায়ত ২০ নৱেম্বৰত আৰু ঝাৰখণ্ডত ২টা পৰ্যায়ত ১৩ আৰু ২০ নৱেম্বৰত বিধানসভা নিৰ্বাচন অনুঠিত হ'ব। নতুন দিল্লীত আজি নিৰ্বাচনৰ সূচী ঘোষণা কৰি মুখ্য নিৰ্বাচন আয়ুক্ত ৰাজীৱ কুমাৰে কয় যে, অহা ২২ অক্টোবৰত ২৮৮ জনীয়া মহাৰাষ্ট্ৰ বিধানসভা নিৰ্বাচনৰ বাবে অধিসূচনা জাৰি কৰা হ'ব আৰু অহা ২৯ অক্টোবৰ পৰ্যন্ত মনোনয়ন দাখিল কৰিব পৰা যাব। ৰাজ্যখনত ভোটগ্ৰহণৰ বাবে এক লাখৰো অধিক ভোটকেন্দ্ৰ স্থাপন কৰা হ'ব আৰু ৯ কোটি ৬৩১ লাখৰো অধিক ভোটদাতাই ভোটৰ অধিকাৰ সাব্যস্ত কৰিব পাৰিব। ২৩ নৱেম্বৰত ভোটগণনা অনুষ্ঠিত হ'ব। ঝাৰখণ্ডত অহা ১৮ অক্টোবৰত প্ৰথম পৰ্যায়ৰ ভোটগ্ৰহণৰ বাবে অধিসূচনা জাৰি কৰা হ'ব আৰু ২৫ অক্টোবৰ পৰ্যন্ত প্ৰাৰ্থীয়ে মনোনয়ন দাখিল কৰিব পাৰিব। দ্বিতীয় পৰ্যায়ৰ বাবে ৰাজ্যখনত ২২ তাৰিখে অধিসূচনা জাৰি কৰা হ'ব আৰু ২৯ অক্টোবৰলৈ মনোনয়ন দাখিল কৰিব পাৰিব। মুখ্য নিৰ্বাচনী আয়ুক্তগৰাকীয়ে প্ৰকাশ কৰা মতে ৰাজ্যখনত ২৬ হাজাৰৰো অধিক ভোটকেন্দ্ৰত ২ কোটি ৬০ লাখৰো অধিক ভোটদাতাই গণতান্ত্ৰিক অধিকাৰ সাব্যস্ত কৰিব পাৰিব। ইফালে নিৰ্বাচনী সূচী ঘোষণা কৰাৰ লগে লগে দুয়োখন ৰাজ্যতে নিৰ্বাচনী আৰ্হি আচৰণ বিধি বলৱৎ হৈছে।

০০০০০

ৰাজ্য চৰকাৰে বিশ্ব মানসিক স্বাস্থ্য দিৱসৰ সৈতে সংগতি ৰাখি মানসিক ৰোগৰ চিকিৎসা, যতন আদি সন্দৰ্ভত জনসাধাৰণৰ মাজত সজাগতা সৃষ্টিৰ উদ্দেশ্যে মাহযোৰা কাৰ্যসূচী পালন কৰিছে। ৰাজ্য চৰকাৰে মানসিক ৰোগ সম্বন্ধীয় যিকোনো সমস্যাৰ ক্ষেত্ৰত পৰামৰ্শৰ বাবে ১৪৪১৬ হেল্পলাইন নম্বৰ মুকলি কৰিছে। দুখ আৰু হতাশাবোধ, অত্যধিক ভয় বা চিন্তা, আত্মহত্যাৰ প্ৰৱণতা, সুৰা বা ড্ৰাগছৰ প্ৰতি আসক্তি বৃদ্ধি, অত্যধিক ভাগৰ লগা বা টোপনিৰ সমস্যা আদি লক্ষণ পৰিলক্ষিত হ'লে চৰকাৰে নিকটৱৰ্তী জিলা মানসিক স্বাস্থ্য কোষৰ সৈতে যোগাযোগ কৰিবলৈ আহ্বান জনাইছে। উল্লেখযোগ্য যে, প্ৰতিবছৰে ১০ অক্টোবৰত বিশ্ব মানসিক স্বাস্থ্য দিৱস পালন কৰা হয়। এই বছৰৰ এই দিৱসৰ মূলমন্ত্ৰ আছিল- **কৰ্মস্থলীত মানসিক স্বাস্থ্য।** মানসিক স্বাস্থ্যৰ যতন সন্দৰ্ভত ডিব্ৰুগড় অসম চিকিৎসা মহাবিদ্যালয়ৰ মনোৰোগ বিশেষজ্ঞ ডাঃ ধ্ৰুৱজ্যোতি ভূঞাই এইদৰে কয় ঃ-

**-ছয়-**

০০০০০

অসম আৰক্ষীৰ সঞ্চালকপ্ৰধান জি পি সিঙে আজি গোলাঘাট জিলাৰ দেৰগাঁৱৰ লাচিত বৰফুকন আৰক্ষী একাডেমীত এটা প্ৰশিক্ষণ কাৰ্যসূচী উদ্বোধন কৰে। ৪৩ সপ্তাহৰ বাবে আয়োজন কৰা এই প্ৰশিক্ষণ শিবিৰত গোৱা আৰক্ষীৰ ১৩১ গৰাকী মহিলা আৰক্ষী কনিষ্ঠবলসহ ৭০০ জন কনিষ্ঠবলৰ প্ৰশিক্ষণৰ ব্যৱস্থা কৰা হৈছে। এই উপলক্ষে আয়োজিত অনুষ্ঠানত ভাষণ দি আৰক্ষী সঞ্চালকপ্ৰধানগৰাকীয়ে কয় যে, প্ৰতিগৰাকী আৰক্ষীয়ে সন্মান, সাহস আৰু ন্যায় প্ৰদানৰ বাবে কৰ্তব্যত নিয়োজিত হ'ব লাগিব। তেওঁ প্ৰশিক্ষণৰত আৰক্ষী-জোৱানসকলক নিয়মানুৱৰ্তিতা, নম্ৰতা, শাৰীৰিক সক্ষমতা আৰু অস্ত্ৰ চালনাত দক্ষতা বৰ্তাই ৰাখিবলৈ আহ্বান জনায়। সঞ্চালকপ্ৰধানগৰাকীয়ে লগতে মণিপুৰ আৰক্ষীৰ এহেজাৰ ৯৫৭ গৰাকী নৱনিযুক্ত আৰক্ষীৰ প্ৰশিক্ষণতো ভাষণ প্ৰদান কৰে।

০০০০০

অসম কৃষি বিশ্ববিদ্যালয়ৰ গৱেষক বিজ্ঞানীয়ে উচ্চ উৎপাদনক্ষম দুটা লাইশাকৰ জাত আৰু এটা জলকীয়াৰ জাত উদ্ভাৱন কৰিবলৈ সক্ষম হৈছে। বিশ্ববিদ্যালয়খনৰ উদ্যান বিজ্ঞান বিভাগৰ গৱেষক বিজ্ঞানীয়ে দীৰ্ঘদিনীয়া গৱেষণাৰ জৰিয়তে প্ৰথমবাৰৰ বাবে **কাজলি** আৰু **লাইকা** নামৰ লাইশাকৰ দুটা জাত আৰু **প্ৰবালী** নামৰ জলকীয়াৰ জাত উদ্ভাৱন কৰিছে। বিজ্ঞানীসকলে প্ৰকাশ কৰা মতে লাইশাকৰ জাত দুটা ৮৫ৰ পৰা ৯০ দিনৰ শস্যক্ৰমত হেক্টৰে প্ৰতি ৪০০ৰ পৰা ৪৫০ কুইণ্টল উৎপাদন কৰিব পাৰিব। আনহাতে জলকীয়াৰ জাতটোৱে হেক্টৰে প্ৰতি ১২০ৰ পৰা ১৩০ কুইণ্টল উৎপাদন কৰিব পাৰিব।

০০০০০

সমাপ্ত